কোনো ঐতিহাসিক ভুলৰ প্ৰায়শ্চিত্ত কৰা নাই, হয়তো এয়া তেওঁৰ বা তেওঁৰ পৰৱৰ্তী আমেৰিকান ৰাষ্ট্ৰপতিৰ বিনিদ্ৰ ৰজনী কটোৱাৰ এটা সম্ভাব্য কাৰকহে হ'বগৈ। এই সন্ধিক্ষণত আফগানিস্তানৰ দুৰ্দশাত শংকিত এখন দেশ হৈছে আমাৰ ভাৰতবৰ্ষ। ভাৰতে আফগানিস্তানৰ পৰিৱৰ্তিত দৃশ্যপটত উদ্বিগ্ন হোৱাৰ বহুকেইটা কাৰণ আছে। সেইবোৰৰ অন্যতম হৈছে ভৱিষ্যতে ভাৰতবিৰোধী কূটাঘাতকাৰীয়ে আফগানিস্তানৰ ভূমি ব্যৱহাৰ কৰি ভাৰতৰ ক্ষতি কৰাৰ শংকা। এই শংকা এতিয়া অৱশ্যে অন্য বহু দেশৰে নেতাসকলৰ মনত ঘনীভূত হোৱাটো নিশ্চিত। এইখিনিতে প্ৰশ্ন হ'বলগীয়া আন এটা কথা হ'ল— আফগানিস্তানৰ ভৱিষ্যৎ কি হ'ব?

তালিবান নেতাসকলৰ ভাষ্য মতেই দেশখনত গণতান্ত্ৰিক পৰম্পৰাৰ অৱসান ঘটিব আৰু ইছলামী শ্বৰিয়ত মতে শাসন কৰা হ'ব। অৰ্থাৎ আফগানিস্তান হ'ব এখন আমীৰশ্বাহী দেশ। তাত এতিয়া একালত আল কায়দাই ঘাটি পাতি বহাৰ দৰে ভৱিষ্যতেও বিশ্বত্ৰাস কোনো সন্ত্ৰাসবাদীয়ে ঘাটি পাতি বহিব বুলি ভবাৰ শংকা কেতিয়াও অমূলক হ'ব নোৱাৰে। এয়া সকলোৰে জনা কথা যে তালিবানৰ সৈতে হাক্কানি নেটৱৰ্ক, আল-কায়দা, পাকিস্তানৰ লস্কৰ ই-তৈবা, তেহৰিক-ই-তালিবান পাকিস্তান আদি অনেক সন্ত্ৰাসবাদী সংগঠনৰ সনাপিঠা বন্ধুত্ব আছে। তাতেই থাকি ওছামা বিন লাডেনে কি কৰিছিল, সেয়া সকলোৰে জানেই। এতিয়া আফগানিস্তানত পুনৰাই সন্ত্ৰাসবাদীৰ আখৰা-ঘৰ স্থাপন হ'ব নেকি—সেয়া বিশ্ব সম্প্ৰদায়ৰ বাবে লাখটকীয়া প্ৰশ্ন হৈ পৰিছে। পাকিস্তানৰ পৰা সন্ত্ৰাসবাদী সংগঠনবোৰে ঘাটিবোৰ সাময়িকভাৱে আফগানিস্তানলৈ স্থানান্তৰ কৰি সন্ত্ৰাসৰ একোখন নতুন জাল বিস্তাৰ কৰিবও পাৰে। তেতিয়া পাকিস্তানৰো সন্ত্ৰাসবাদীৰ আশ্ৰয়দাতা দেশ বুলি চলি অহা বদনাম কিছুদূৰ নোহোৱা হ'বগৈ। আফগানিস্তানে সন্ত্ৰাসবাদীক বৰপীৰা পাৰি আদৰিলেও ভৱিষ্যতে দেশখনে চীন আৰু ৰাছিয়াৰ সমৰ্থন পাই থকাৰ সম্ভাৱনা আছে। ৰাছিয়াৰ অংক হৈছে আমেৰিকাক দুৰ্বল প্ৰতিপন্ন কৰা আৰু মধ্য এছিয়াত প্ৰভাৱ বিস্তাৰ কৰি থকা। পূৰ্বে এবাৰ আফগানিস্তান ৰাছিয়াই দখল কৰাটোৱেই তাৰ প্ৰমাণ। কালৰ কুটিল গতিত ৰাছিয়াক খেদিবলৈ জন্ম হোৱা তালিবানেই আজি ভ্লাডিমিৰ পুটিনৰ দেশখনৰ বন্ধু হৈ উঠিছে। চীনৰ সৈতে তালিবানৰ বন্ধুত্ব দুটা স্বাৰ্থৰ ভেটিত গঢ় লৈ উঠিছে। প্ৰথমে চীনক অৰ্থনৈতিক বিস্তাৰৰ সুবিধাজনক ক্ষেত্ৰ এখন লাগে। পাকিস্তানক ইতিমধ্যে চীনে ধাৰ-ঋণ দি হ'লেও নিজৰ বৰ্ধমান বজাৰনীতিৰ মেৰপেঁচত সুমুৱাই ল'ব পাৰিছেই, এতিয়া আফগানিস্তানকো যদি একেডাল সূতাৰে বান্ধিব পৰা যায়, তেন্তে ভালেই। তদুপৰি এই কৌশলেৰে আফগানিস্তানক নিজৰ ফলীয়া কৰিলে ভাৰতৰ চাৰিওপিনৰ দেশকেইখনত বেইজিঙৰ বন্ধু চৰকাৰ বা শাসক হোৱাটো নিশ্চিত কৰিব পৰা যায়। সৰ্বোপৰি তালিবানক সমৰ্থন দি সন্তুষ্ট ৰখাৰ আঁৰত চীনৰ নিজৰো সুৰক্ষাৰ কথা জড়িত আছে। দেশখনৰ পশ্চিমাংশত উইঘুৰ মুছলমানসকলৰ মাজত দিনে দিনে বৃদ্ধি পোৱা অসন্তুষ্টিৰ পৰিণতিত তাতো ইছলামিক সন্ত্ৰাসবাদীয়ে মূৰ দাঙি উঠাৰ প্ৰমাণ পোৱা গৈছে। এতিয়া আমেৰিকাৰ প্ৰস্থানৰ পাছত তালিবানেও যদি আফগানিস্তানত আফিঙৰ খেতিৰ পোহাৰ মেলে, সেই আফিঙৰ নিচাই কিন্তু ভাৰত, চীন আদিকো বেছচ কৰি পেলাব বুলি ভয় খোৱাৰ থল আছে।

আফগানিস্তানত অৰ্থনৈতিক বিকাশ প্ৰথমাৱস্থাত ভালেই আছিল। ২০০৩ চনৰ পৰা ১০ বছৰ ধৰি দেশখনৰ বিকাশ বাৰ্ষিক ৯ শতাংশকৈ চলি আছিল। কিন্তু বিভিন্ন কাৰণত পৰৱৰ্তী সময়ত আফগানিস্তানৰ বিকাশৰ হাৰ হ্ৰাস পায়। ২০১৫ চনৰ পৰা ২০২০ চনৰ সময়ছোৱাত দেশখনৰ গড় বিকাশ আছিল ২.৫ শতাংশ। দেশখনত নিৰাপত্তাৰ ভয় আৰু অত্যধিক দুৰ্নীতি নাথাকিলে হয়তো তাত অপৰ্যাপ্ত পৰিমাণে থকা তাম, ক'বাল্ট, কয়লা আৰু লো আহৰণৰ বাবে বিভিন্ন দেশৰ প্ৰতিষ্ঠান আগবাঢ়ি আহিলহেঁতেন। তাত তেল, প্ৰাকৃতিক গেছ আৰু মূল্যৱান পাথৰো আছে। ম'বাইল ফোনৰ বেটেৰি আৰু বৈদ্যুতিন গাড়ীৰ বেটেৰি প্ৰস্তুতৰ বাবে ব্যৱহৃত লিথিয়ামো আফগানিস্তানত বহু পৰিমাণে পোৱা যায়। সম্ভৱতঃ সেইবাবেই চীনৰ চকু আফগানিস্তানত আছিল। ২০১০ চনতে আফগানিস্তানৰ সম্পদৰ পৰিমাণ বহুত বুলি আমেৰিকাৰ সৈন্যবাহিনীৰ জেনেৰেল এজনে সংবাদপত্ৰত উল্লেখ কৰিছিল। কিন্তু সেই সম্পদ আহৰণত না আমেৰিকা সফল হ'ল, না অন্য কোনো বন্ধুৰাষ্ট্ৰ সফল হ'ল। এতিয়া ৰাছিয়া বা চীনেও আফগানিস্তানৰ পৰা সম্পদ আহৰণৰে চেষ্টা চলাব। কিন্তু সেইবোৰৰ যোগেদি দেশখনৰ সাধাৰণ লোক কিমান উপকৃত হ'ব সন্দেহ আছে, কাৰণ ইমানদিনে তাৰ পৰা সাধাৰণ লোক উপকৃত হোৱাই নাই। যদি হৈছে সেইসকল ধনাঢ্য ৰাজনীতিকহে। পূৰ্বেও চীনৰ প্ৰতিষ্ঠানে আফগানিস্তানৰ সম্পদ আহৰণৰ চেষ্টা নকৰা নহয়, কিন্তু নিৰাপত্তাৰ অভাৱত সেয়া সম্ভৱ নহ'ল। এইবাৰ তালিবানৰ লগ লাগি যদি চীনে আফগানিস্তানৰ সম্পদৰ সদ্ব্যৱহাৰ কৰিব পাৰে, তেন্তে সেয়া চীনৰ উদ্যোগ খণ্ডলৈ সুখৱৰেই হ'ব।

২০০১ চনত আমেৰিকাই তালিবানক উৎখাত কৰিবলৈ আফগান যুদ্ধত নমাৰ পাছৰ পৰাই আফগানিস্তানৰ এটি বিশেষ দিশলৈ বেচ অভাৱনীয় পৰিৱৰ্তন আহিছিল। সেয়া হৈছে কৰ্মক্ষেত্ৰত নাৰীৰ অংশগ্ৰহণ। যোৱা এটা দশকত কৰ্মক্ষেত্ৰত পোন্ধৰ বছৰৰ ওপৰৰ মহিলাৰ অংশগ্ৰহণ বৃদ্ধি পাই ২০১৯ চনৰ হিচাপ মতে ২২ শতাংশ হৈছেগৈ। কিন্তু তালিবানৰ অধীনত সেই দিশলৈ যে অভাৱনীয় পৰিৱৰ্তন আহিব, সেয়া একপ্ৰকাৰ নিশ্চিত। যদিও তালিবানে নাৰীৰ সুৰক্ষা আৰু মৰ্যাদাৰ কথা কৈছে, তথাপি শ্বৰিয়তৰ শাসনত নাৰীৰ কাম-কাজ কৰাৰ দিশত কিমানখিনি স্বাধীনতা থাকিবগৈ, তাকে লৈ সন্দেহ অৱশ্যেই থাকিব।

আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত আফগানিস্তানক চীন আৰু ৰাছিয়াই সমৰ্থন দি যাব। যিহেতু চীন আৰু ৰাছিয়া উভয়েই ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যৰাষ্ট্ৰ, গতিকে সেই সুযোগ-সুবিধা আফগানিস্তানে অনাগত দিনত হয়তো উপভোগ কৰিও যাব। আপাততঃ শক্তিশালী এই দুখন দেশৰ প্ৰভাৱত থকা দেশবোৰে তালিবানী আফগানিস্তানক স্বীকৃতি দিলেও সেইবোৰৰ আঁৰত কি চলিব সেয়া বাৰু কেনেবাকৈ গম পোৱা সম্ভৱ হ'বনে? ৰাছিয়া বা চীন গণতন্ত্ৰৰ পৃষ্ঠপোষক নহয়; তালিবানো নহয়। সেয়ে গণতন্ত্ৰৰ পৃষ্ঠপোষক আমেৰিকাৰ প্ৰস্থানৰ লগে লগে দুয়োখন দেশ আফগানিস্তানত উপস্থিত হৈছেগৈ। কিন্তু এই সমস্ত কথাই জানো দেশখনৰ প্ৰায় ৩.৮ কোটি লোকৰ জীৱন স্পৰ্শ কৰিব পাৰিব? সন্দেহ থাকি যায়।

তালিবানক ২০০১ চনৰ আগতে দেখা জনসমষ্টি আৰু যোৱা কুৰিটা বছৰে তালিবানক নেদেখা জনসমষ্টি—এই উভয়ৰে বাবেই তালিবান এটা ভয়লগা অভিজ্ঞতাৰ নাম। সেয়ে আজি আফগানিস্তানৰ সাধাৰণ নাগৰিকৰ দুৰ্দশা, বিমানৰ চকাৰ ওপৰত উঠি দেশ এৰি পলায়নৰ চেষ্টাৰ ঘটনা সুলভ হৈছে। বিমান বন্দৰত দেশ এৰি যাব খোজা লোকৰ ভিৰত বিৰ দি বাট নোপোৱা অৱস্থা। তালিবানৰ পূৰ্বৰ শাসনকালত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কথাবোৰ বৰকৈ নোলাইছিল, অডিঅ' বা ভিডিঅ' টে'পৰ যোগেদিহে তালিবানৰ নেতাসকলে নিজৰ কথা ৰাইজক জনাইছিল। কিন্তু এতিয়া সময় বেলেগ। এতিয়া স্মাৰ্টফোনত আফগান লোকৰ দুৰ্দশা মানুহৰ হাতে হাতে। সামাজিক মাধ্যমসমূহতো এই দৃশ্যবোৰ ভাহি ফুৰিছে। এইবোৰ দেখাৰ-শুনাৰ পাছতো যদি বিশ্ব সম্প্ৰদায়ে কেৱল কৌতূহলী দৰ্শকৰ দৰেই ৰৈ থাকে, তেন্তে ই মানৱতাৰ চূড়ান্ত অৱমাননা হ'ব। এই কঠিন পৰীক্ষাত আমি উত্তীৰ্ণ হ'ব নোৱাৰিলে ইতিহাসেও হাঁহিব।

ফোন ঃ ৭০৩৫৯০৫২৩৮